**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 09-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা ঘোষণা কৰা হৈছে। দিছপুৰত অনুষ্ঠিত মন্ত্ৰী পৰিষদৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলযোগে এই কথা ঘোষণা কৰে। সেই অনুসৰি অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট ৰাণা প্ৰতাপ কলিতালৈ আগবঢ়োৱা হৈছে অসম বৈভৱ বঁটা। অসম সৌৰভ বঁটাৰ বাবে সংগীত শিল্পী দ্বিপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনচালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড০ এছ্ ৰামডুৰাইৰ নাম বিবেচনা কৰা হৈছে। আনহাতে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙনি আগবঢ়োৱা ১২গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠানলৈ আগবঢ়োৱা হৈছে অসম গৌৰৱ বঁটা। এই প্ৰতিষ্ঠানকেইটা হৈছে কলিয়াবৰৰ চোৰেণ এহেম, তিনিচুকীয়াৰ বাৰেকুৰি গাঁৱৰ হলৌ বান্দৰ সংৰক্ষণৰ বাবে অহৰ্নিশে কাম কৰি অহা ইকো-ডেভেলপ ছ'চাইটী আৰু বন্যহস্তীৰ হকে দীৰ্ঘদিনে কাম কৰি অহা নগাঁৱৰ হাতীবন্ধু। অহা ৩০ মাৰ্চত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই বঁটাসমূহ প্ৰদান কৰিব। সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বিবিন্ন স্থানত গঢ়ি উঠা কোচিং চেণ্টাৰসমূহ নিয়ন্ত্ৰণৰ বাবে এখন নতুন আইন আনিব বুলিও সদৰি কৰে। তেওঁ কয় যে কোচিং চেণ্টাৰসমূহক নিয়ন্ত্ৰণ কৰিব পৰাকৈ সম্প্ৰতি কোনো ব্যৱস্থা নাই। সেয়ে চলিত বিধানসভা অধিবেশনতে কোচিং চেণ্টাৰ নিয়ন্ত্ৰণৰ বাবে এখন আইন প্ৰণয়ন কৰা হ'ব।

আনহাতে, মেডিকেল শিক্ষাৰ বাবে প্ৰবেশ পৰীক্ষা কেৱল চৰকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বায়োমেট্ৰিক পৰীক্ষাৰ পাছতহে এতিয়াৰে পৰা পৰীক্ষা হলত পৰিক্ষাৰ্থী প্ৰৱেশ কৰিব পাৰিব। এই বিষয়টো নেচনেল টেষ্টিং এজেন্সিক অৱগত কৰিবৰ বাবে মুখ্য সচিবক নিৰ্দেশ দিয়া বুলিও সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০

চাহবাগিছাত কৰ্মৰত শ্ৰমিকসকলৰ আহাৰ গ্ৰহণ প্ৰক্ৰিয়া পৰিস্কাৰ পৰিচ্ছন্ন আৰু স্বাস্থ্যসন্মতভাৱে উপলব্ধ কৰোৱাৰ লক্ষ্যৰে আজি ওদালগুৰি জিলাৰ বামুণজুলি চাহবাগিছাত আনুষ্ঠানিকভাৱে উন্নত মানৰ টিফিন বাকচ বিতৰণ কৰা হয়। বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে প্ৰায় ছহেজাৰ শ্ৰমিকৰ মাজত টিফিন বাকচ বিতৰণ কৰে। প্ৰমোদ বড়োৱে জানিবলৈ দিয়া মতে এই বিশেষ আঁচনিৰ অধীনত ১২ ঘণ্টালৈকে খাদ্য গৰম আৰু স্বাস্থ্যসন্মতভাৱে সুৰক্ষিত হৈ থাকিবলগীয়া টিফিন বাকচ প্ৰথম পৰ্যায়ত ৩১ হাজাৰ শ্ৰমিকৰ মাজত বিতৰণ কৰা হ'ব।

০০০০

জলবায়ু পৰিৱৰ্তনক মূল বিষয় হিচাপে লৈ যোৱা ৭ মাৰ্চত আৰম্ভ হোৱা **জোনাকী - উত্তৰ-পূব চলচ্চিত্ৰ মহোৎসৱ ২০২৫**ৰ আজি সামৰণি পৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ উদ্যোগত তথা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত এই চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰা হৈছিল। মানুহ আৰু প্ৰকৃতিৰ সংঘাত, প্ৰকৃতি আৰু জলবায়ু তথা অন্যান্য শিতানত মুঠ ২৫খন চলচ্চিত্ৰ এই মহোৎসৱত প্ৰদৰ্শন কৰা হয়। আজি জোনাকীৰ সামৰণি অনুষ্ঠানত বিশিষ্ট ছাউণ্ড ডিজাইনাৰ অমৃত প্ৰীতম বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে।

০০০০

২০২৩ বৰ্ষৰ মুনিন বৰকটকী সাহিত্য বঁটা বিশিষ্ট গল্পকাৰ নয়নজ্যোতি শৰ্মাক আৰু ২০২৪ বৰ্ষৰ এই বঁটা পাপৰি বৰ্মনক প্ৰদান কৰা হৈছে। আজি  গুৱাহাটীৰ উজান বজাৰস্থিত বিবেকানন্দ কেন্দ্ৰৰ সভাগৃহত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত দুয়োগৰাকী গল্পকাৰক এই বঁটা প্ৰদান কৰা হয়। জাল কটা জুই গল্প সংকলনৰ বাবে নয়নজ্যোতি শৰ্মা আৰু পৰুৱা পোহনীয়া শীৰ্ষক গল্প সংকলনৰ বাবে পাপৰি বৰ্মনক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছিল। বিশিষ্ট লেখিকা, শিক্ষাবিদ তিলোত্তমা মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটিত **মুনিন বৰকটকী সাহিত্য বঁটা ঃ ঐতিহ্য আৰু গুৰুত্ব** শীৰ্ষক বিষয়ত ভাষণ দিয়ে বিশিষ্ট সমালোচক দেৱ ভূষণ বৰাই। বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি জ্ঞানপীঠ বঁটা প্ৰাপক সাহিত্যিক দামোদৰ মৌজোৱে **মোৰ কাহিনী আপোনাৰ কাহিনী** শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ২৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৫১ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচ্চেলে সৰ্বাধিক ৬৩ ৰাণ কৰে। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্ত্তী আৰু কুলদ্বীপ যাদৱে দুটাকৈ উইকেট দখল কৰে। আনহাতে, মহম্মদ ছামি আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে বেটিং আৰম্ভ কৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ৪৪ অভাৰত ৫ উইকেট হেৰুৱাই ২১২ ৰাণ কৰি খেলি আছে। ভাৰতৰ হৈ অধিনায়ক ৰোহিত শৰ্মাই ৭৬ আৰু শ্ৰেয়াছ আয়াৰে ৪৮ ৰাণ কৰি আউট হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ